## দিনটোৰ উক্তি

ভাৰত হৈছে বিশ্বৰ পঞ্চম ছুপাৰ পাৱাৰ। চীনক চেৰ পেলাই ভাৰত আগুৱাই গৈছে।

— আফ্ৰিকান ইউনিয়নৰ অধ্যক্ষ আজালী আছমানি।

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২৯৭ সোমবাৰ ২৪ ভাদ ১৯৪৫ শক ১১ ছেপ্টেম্বৰ ২০২৩ চন ASOMIYA KHABAR JORHAT MONDAY 11 SEPTEMBER 2023 দাম ঃ ৭.০০ টকা


## এবছৰে এপিএছচিয়ে ঘোষণা নকৰিলে লোকনিৰ্মাণৰ ৩০৭ কনিষ্ঠ অভিযন্তা (চিভিল)ৰ ফলাফল

আমাৰ খবৰ, বঙাইগাঁও, ১০ ছেপ্টেম্বৰ ঃ লোকনিৰ্মাণ বিভাগৰ ৩০৭টা কনিষ্ঠ অভিযন্তা (চিভিল) পদৰ প্ৰাৰ্থীয়ে আজিও নাপালে নিযুক্তি। উল্লেখ্য যে ২০১৯ বৰ্ষত অসম লোকসেৱা আয়োগৰ অধীনত (বিজ্ঞাপন নম্বৰ ঃ ০৬/২০১৯) লোকনিৰ্মাণ বিভাগত সহকাৰী শেষাংশ ৬ পৃষ্ঠাত

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ এবছৰীয়া পাঠ্যক্ৰম উদ্বোধন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়, নতুন দিল্লীৰ অধীনৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ ২০২৩-২৪ বৰ্ষৰ এবছৰীয়া পাঠ্যক্ৰম উদ্বোধন কৰা হয়। সংস্কৃত বিভাগৰ অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত কেন্দ্ৰটোৰ ২০২৩-২৪ বৰ্ষৰ এবছৰীয়া পাঠ্যক্ৰম উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই সংস্কৃত ভাষা পৃথিৱীৰ আটাইতকৈ চহকী ভাষা বুলি উল্লেখ কৰি এই সংস্কৃত ভাষাৰ মহত্ত্ব প্ৰতিজন ভাৰতীয়ই উপলব্ধি কৰিব লাগে বুলি অৱগত কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ শইকীয়াই চন্দ্ৰয়ান-৩, আদিত্য এল-১-ৰ কথা উল্লেখ কৰি সংস্কৃত ভাষাই এটা সঠিক ভাষা বুলি মত প্ৰকাশ কৰি সংস্কৃত ভাষাটোক সকলোৱে গুৰুত্ব সহকাৰে ল'ব লাগে বুলি কয়। তেওঁ কয়—পৃথিৱীত সংস্কৃত ভাষাত যিমান শব্দ আছে আন কোনো ভাষাতে ইমান শব্দ নাই। সংস্কৃত ভাষাত ১০২.৭৮ বিলিয়ন শব্দ আছে আৰু ইয়াৰ বিপৰীতে ইংৰাজী ভাষাত আছে মাত্ৰ ১,৭১,৪৭৬ টা শব্দ। তাৰে ভিতৰত ৪৭,১৫৬ টা শব্দ অচল। তেওঁ কানৈ মহাবিদ্যালয়ত থকা অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ কাম-কাজক শলাগ লোৱাৰ লগতে শিক্ষয়িত্ৰী পূৰ্ণিমা পাটৰক ধন্যবাদ জ্ঞাপন কৰে আৰু ভৱিষ্যতে কেন্দ্ৰটোৱে এনেধৰণে মহাবিদ্যালয়খনত কাম কৰাৰ আশা প্ৰকাশ কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নৰেন্দ্ৰ মাহেলা, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, অসমীয়া বিভাগৰ অধ্যাপক ড° মৃদুল শৰ্মাকে ধৰি সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাস, অধ্যাপিকা বিনী শইকীয়াৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে এই অনুষ্ঠানতে ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰ আৰু সংস্কৃত বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত অনুষ্ঠিত হৈ যোৱা দহদিনীয়া সম্ভাষণ শিবিৰৰ সমাপন সমাৰোহো অনুষ্ঠিত হয় আৰু এই শিবিৰত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ শিক্ষয়িত্ৰী পূৰ্ণিমা পাটৰে।

## দুলীয়াজানত সুধাকণ্ঠৰ ৯৭ সংখ্যক জন্ম-বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলী অনুষ্ঠান

আমাৰ খবৰ, দুলীয়াজান, ১০ ছেপ্টেম্বৰ ঃ দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা, অইল ইণ্ডিয়া লিমিটেড আৰু দুলীয়াজান ক্লাবৰ উদ্যোগত কালি সন্ধিয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৭ সংখ্যক জন্ম-বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলী অনুষ্ঠান অনুষ্ঠিত হয়। দুলীয়াজান বিহুতলী প্ৰাঙ্গণত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ সন্মুখত সন্ধিয়া অনুষ্ঠিত অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ সভাপতি কনক গগৈ, সদৌ অসম কবি সন্মিলনৰ সম্পাদক পবিত্ৰ বৰঠাকুৰ, দুলীয়াজান প্ৰেছ ক্লাবৰ সভাপতি ব্ৰজেন গগৈ, সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজানৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল শইকীয়া, দুলীয়াজান ক্লাবৰ সম্পাদক ৰঞ্জিত ভৰালী, নাহৰকটীয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰশান্ত দত্ত, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিগন্ত বৰা